কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

**প্ৰসংগ** : অজাবি/সাদি/২৮/২০ **তাৰিখ** : ০৮-০৩-২০২০
*Ref* : *Date* :

## অসম জাতীয় বিদ্যালয়ত 'আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতা'ৰ আয়োজন

**নুনমাটি, ৮ মাৰ্চ, ২০২০** : পূৰ্বৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয়ত অহা ১১ এপ্ৰিল তাৰিখে ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত সাহিত্য দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সদৌ অসম ভিত্তিত বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ মাজত প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাসমূহ তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ তিনিওটা শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে ৩০০০, ২০০০ আৰু ১৫০০ নগদ ধনৰ লগতে মূল্যবান গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হ'ব।

**ক শাখা (ষষ্ঠ আৰু সপ্তম শ্ৰেণী)**
**প্ৰবন্ধ প্ৰতিযোগিতা**
**বিষয়** : পৰ্যটন আৰু অসম (৭০০ শব্দৰ ভিতৰত)
**খ শাখা (অষ্টম আৰু নৱম শ্ৰেণী)**
**প্ৰবন্ধ প্ৰতিযোগিতা**
**বিষয়** : অসমৰ থলুৱা খাদ্যৰ বিপণন : সাম্প্ৰতিক অৱস্থা আৰু সম্ভাৱনীয়তা (১০০০ শব্দৰ ভিতৰত)
**গ শাখা (দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী)**
**প্ৰবন্ধ প্ৰতিযোগিতা**
**বিষয়** : বিজ্ঞাপন : সমাজ জীৱনত ইয়াৰ প্ৰভাৱ (১০০০-১৫০০ শব্দৰ ভিতৰত)

ইচ্ছুক প্ৰতিযোগীসকলে তেওঁলোকৰ লেখাসমূহ অহা ২৫ মাৰ্চ, ২০২০ তাৰিখ অথবা তাৰ আগতে দীপক কোচ, আহ্বায়ক, ৰসৰাজ সাহিত্য চ'ৰা, অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী-৭৮১০২০ অথবা বিদ্যালয়ৰ email : assamjatiyabidyalay@gmail.com লৈ পঠিয়াব লাগিব। প্ৰতিযোগীসকলে নিজৰ নাম, ঠিকনা আৰু ফ'ন নম্বৰ লেখাসমূহৰ লগত পঠিয়াব লাগিব। ইচ্ছুক প্ৰতিযোগীসকলে ৯১০১২৬৯৬৬৫, ৯১০১২২৭৫৬৬, ৯৮৬৪০৭৪৪৪১ নম্বৰত ফ'ন কৰিও যোগাযোগ কৰিব পাৰিব। প্ৰতিযোগীসকলে প্ৰতিযোগিতাৰ নিয়মাৱলী বিদ্যালয়ৰ ৱেবছাইট http://assamjatiyabidyalay.comত পাব।

(দীপক কোচ)
আহ্বায়ক
ৰসৰাজ সাহিত্য চ'ৰা
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

(ঘনশ্যাম মোধ)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০